# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2025 **Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

০০০০০

১। অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ।

২। অ' এন জি চিৰ গেছ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা।

৩। কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰত হৈ থকা গেছ নিৰ্গমন ৰোধ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সৈতে আলোচনা।

৪। ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া পৱিত্ৰ ৰাম খাউণ্ড আৰু প্ৰভাতী থাউছেনৰ অসম লোকসেৱা আয়োগৰ সদস্যৰূপে শপতগ্ৰহণ।

*আৰু*

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২৩ সংখ্যক ওপজা দিন উদযাপন।

০০০০০

ডিব্ৰুগড়ৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ হ'ব। সেইদিনাই যোৰহাটৰ পৰা নতুন দিল্লীলৈ আন এখন নতুন বিমানৰ উৰণো আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ তিনিখন জিলা ডিব্ৰুগড়, লখিমপুৰ আৰু শিৱসাগৰ ভ্ৰমণ সামৰি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত এখন সংবাদ মেলত আজি এই কথা প্ৰকাশ কৰে। ইণ্ডিগ' বিমান সংস্থাৰ সৈতে হোৱা বৈঠক মৰ্মে এই সেৱা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**- বাইট -**

ড০ শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ কথাও সংবাদমেলত ঘোষণা কৰে। এই গেছ নিৰ্গমন ৰোধৰ বাবে আমেৰিকাৰ এগৰাকী বিশেষজ্ঞক আমন্ত্ৰণ জনোৱা হৈছে আৰু শীঘ্ৰেই এই সমস্যা সমাধান হ'ব বুলি তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ সৈতে তেওঁ যোগাযোগ ৰক্ষা কৰি আছে আৰু প্ৰয়োজনত পুনৰ শিৱসাগৰলৈ যাব বুলিও মন্তব্য কৰে। তদুপৰি মৰাণ আৰু মটক পৰিষদত এতিয়াৰে পৰা কেৱল মৰাণ আৰু মটক জনগোষ্ঠীৰ লোকেহে ভোটদান কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীয়ে আজি ইয়াৰ আগেয়ে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত দুলীয়াজান বিধানসভা সমষ্টিত ৰূপায়িত আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। দুলীয়াজান সমষ্টিত লোকনিৰ্মাণ পথ আৰু গৃহ, জলসম্পদ, জলসিঞ্চন আৰু শক্তি বিভাগৰ উদ্যোগত ৮৭টা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ কাম চলি আছে। বৈঠকত মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ বিভিন্ন সমস্যা তথা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিভাগসমূহক দ্ৰুতগতিত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত লোৱা পদক্ষেপ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। এনে প্ৰচাৰৰ অংশ হিচাপে আজি আমি বহনক্ষম আৰু সৰ্বাত্মক স্বাস্থ্য যতনৰ বিষয়ে আলোকপাত কৰিবলৈ লৈছো।

**ভইচ**

বিগত দশকত দেশৰ স্বাস্থ্য সেৱা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হৈছে। আয়ুষ্মান ভাৰতৰ লেখিয়া ধবজাবাহী আঁচনিসমূহৰ জৰিয়তে প্ৰায়  ৫৫ কোটি লোকক বিত্তীয় সুৰক্ষা প্ৰদান কৰা হৈছে। একেদৰে আয়ুষ্মান বয়ো বন্দনা আচনিৰ অধীনত ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়োৱা হৈছে।  আয়ুষ্মান ভাৰত ডিজিটেল মিছনে স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থাটোৰ আধুনিকীকৰণ কৰিছে আৰু ৭৮ কোটিৰো অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট খোলা হৈছে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাথনি অভিযানৰ অধীনত স্বাস্থ্য সেৱা আন্তঃগাথনিৰ দ্ৰুত সম্প্ৰসাৰণ নিশ্চিত কৰা হৈছে। কোৱিড-১৯ মহামাৰীৰ সময়তো ভাৰতে প্ৰাৰম্ভিক অৱস্থাতে সাহসী পদক্ষেপ লৈ ৰোগবিধ নিয়ন্ত্ৰণত সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। বিগত এঘাৰ বছৰত দেশৰ স্বাস্থ্য সেৱা খণ্ডৰ ৰূপান্তৰ সৰ্বাত্মক আৰু পৰিপূৰকৰূপে পৰিগণিত হৈছে। চৰকাৰে সকলোৰে বাবে স্বাস্থ্য দৃষ্টিভংগীৰে স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ, মান উন্নয়ন আৰু ব্যয়সাধ্যতা সুনিশ্চিত কৰি এইক্ষেত্ৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া পবিত্ৰ ৰাম খাউণ্ড আৰু প্ৰভাতী থাউছেনে আজি অসম লোকসেৱা আয়োগৰ সদস্য ৰূপে শপত গ্ৰহণ কৰিছে। আজি গুৱাহাটীৰ ৰাজভৱনত অনুষ্ঠানত এটা আৰম্বড়পূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীখাউণ্ড আৰু শ্ৰীথাউছেনক কাৰ্যভাৰ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়।

-ভইচ কাষ্ট-

০০০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ দীৰ্ঘদিনীয়া সীমা সমস্যা পাৰস্পৰিক বুজা-পৰাৰ মাধ্যমেৰে সমাধান কৰাৰ বাবে দুয়োখন ৰাজ্যৰ প্ৰতিনিধিয়ে আজি পঞ্চমলানি আলোচনাত মিলিত হয়।  চুবুৰীয়া ৰাজ্য দুখনৰ সীমা সমস্যা নিষ্পত্তিকৰণৰ বাবে গঠিত ধেমাজি আৰু অৰুণাচল প্ৰদেশৰ পূব আৰু নামনি ছিয়াং জিলাৰ আঞ্চলিক সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠকত এই সমস্যা সমাধান হোৱাৰ পথ প্ৰশস্ত হৈছে বুলি বৈঠকখনৰ পাছত প্ৰকাশ কৰা হয়। ধেমাজি জিলাৰ গোগামুখৰ ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত বৈঠকত অসম চৰকাৰৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্ল বৰুৱা, সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগুৱে অংশগ্ৰহণ কৰে। অৰুণাচল প্ৰদেশৰ হৈ মন্ত্ৰী  কেণ্টো জিনি, বিধায়ক টোজিৰ কাডু, অৰুণাচল প্ৰদেশ বিধানসভাৰ উপাধ্যক্ষ কাৰ্ডো লিগিঅ'ৰ আৰু উপায়ুক্ত তথা আঞ্চলিক সমিতিৰ সদস্য সচিব ৰুজ্জুম ৰক্ষপে অংশগ্ৰহণ কৰে। দীঘলীয়া বৈঠকৰ অন্তত দুয়োখন ৰাজ্যৰ প্ৰতিনিধিয়ে সীমা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত সৰ্বসন্মত মীমাংসাত উপনীত হোৱা বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৰীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। অঞ্চলটোত জুই ৰোধ কৰা আৰু পৰিৱেশ শীতল কৰি ৰখাৰ বাবে অহৰহ পাম্পেৰে পানীৰ এটা আৱৰণ সৃষ্টি কৰা হৈছে। ৰীগটোৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক স্থানান্তৰিত কৰা হৈছে আৰু তেওঁলোকক সকলো ধৰণৰ সাহায্য প্ৰদান কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

গোৱালপাৰা জিলাৰ বালিজানা ৰাজহ চক্ৰৰ অন্তৰ্গত হাচিলাবিলত প্ৰশাসনে আজি দ্বিতীয় দিনা দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। দীৰ্ঘদিনৰ পৰা হাচিলাবিলৰ ভূমিত ৬৬৭টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আহিছিল। উচ্ছেদ অভিযানৰ পূৰ্বে একাংশ পৰিয়ালে স্ব-ইচ্ছাই সেই স্থান ত্যাগ কৰে। প্ৰশাসনে কালি সেই স্থানত অৱশিষ্ট পৰিয়ালৰ প্ৰায় ৬০ শতাংশ উচ্ছেদ কৰাৰ পাছত বাকী থকা পৰিয়ালসমূহক আজি উচ্ছেদ কৰে। উচ্ছেদস্থলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নহয় তাৰ বাবে আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। বিধায়ক ৰাজেদ আলী চৌধুৰী নেতৃত্বত কংগ্ৰেছৰ ৮ জনীয়া এটা দলে আজি উচ্ছেদিত স্থানলৈ যাব বিচাৰে যদিও প্ৰশাসনৰ ফালৰ পৰা বাধা দিয়াত বাক-বিতণ্ডা সৃষ্টি হয়। পাছত বিধায়কৰ দলটোৱে জিলা আয়ুক্তক সাক্ষাৎ কৰি এই উচ্ছেদ অভিযান বন্ধ কৰাৰ লগতে উচ্ছেদিত লোকসকলক পুনৰ সংস্থাপনৰ দাবীৰে ৰাজ্যপাল আৰু ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গুৱাহাটীৰ জনতা ভৱনত দিব্যাংগসকলৰ সহায়ক হোৱাকৈ বিভিন্ন সঁজুলি বিতৰণ কৰে। তেওঁ ট্ৰেন্সজেণ্ডাৰ কল্যাণ বোৰ্ড আৰু মাদক দ্ৰব্য ব্যৱহাৰ নিৰ্মূল সম্পৰ্কীয় এখন বৈঠকতো অংশগ্ৰহণ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে দিব্যাংগসকলৰ জীৱন ধাৰণৰ মান উন্নীত কৰিবলৈ ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি উল্লেখ কৰে। আজিৰ অনুষ্ঠানত দিব্যাংগসকলৰ মাজত হুইল চেয়াৰ, শ্ৰৱণ যন্ত্ৰ, স্মাৰ্ট কেন আদি বিতৰণ কৰা হয়। এই বৈঠকতে মন্ত্ৰীগৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত লাভ কৰা জলপানি আঁচনিসমূহৰ পৰ্যালোচনা কৰে। অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীৰ জলপানিৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধিৰ বাবে প্ৰতিখন জিলাৰ সমন্বয়কক জলপানি লাভ কৰিবলগীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩০ শতাংশ বৃদ্ধি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। শ্ৰীহাজৰিকাই মাদক দ্ৰব্য নিৰ্মূলৰ দিশত কাম কৰি অহা সংস্থাসমূহৰ লগতে গুৱাহাটীৰ পুনৰ্বাসন কেন্দ্ৰসমূহৰ কাম-কাজ পৰ্যালোচনা কৰিবলৈ গুৱাহাটী পৌৰ নিগম, মহানগৰ উন্নয়ন প্ৰাধিকৰণ আৰু স্বাস্থ্য বিভাগৰ সৈতে বৈঠক অনুষ্ঠিত কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

শ্ৰীভূমিৰ আৰক্ষীৰ এটা দলে আজি জিলাখনৰ ছাদাৰাছি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সমীপৰ লক্ষ্মীবজাৰ পথত অভিযান চলাই এখন মটৰ চাইকেলৰ পৰা ৪০ হাজাৰটা নিচাযুক্ত টেবলেট জব্দ কৰাৰহ লগতে এজন লোকক গ্ৰেপ্তাৰ কৰে। উদ্ধাৰ কৰা টেবলেটসমূহৰ বজাৰমূল্য ১২ কোটি টকাৰো অধিক বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষী অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি জেৰা অব্যাহত ৰাখিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা বাৰ্ষিকী অহা ১ জুলাইত বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। সেইদিনা গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত দিনৰ ১০ বজাৰ পৰা এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সেইদিনাই সন্ধিয়া ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এই উপলক্ষে এটা বিচিত্ৰানুষ্ঠানৰো আয়োজন কৰা হৈছে। ১ জুলাইৰ পৰাই আকাশবাণী গুৱাহাটীৰ বিবিধ ভাৰতী সেৱাত অসমীয়া ভাষাৰ অনুষ্ঠান পুনৰ সংযোজন কৰা হ'ব।

৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আয়োজনৰ বাবে আজি আকাশবাণীৰ সভাকক্ষত আয়োজিত এখন বৈঠকত কেন্দ্ৰটোৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খানৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰা হয়।

০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২৩ সংখ্যক ওপজা দিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰূপান্তৰেহে জগত ধুনীয়া কৰে বুলি ভৱিষ্যমুখী সমাজ নিৰ্মাণৰ পণ লোৱা সুন্দৰৰ পূজাৰীগৰাকী প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সব্যসাচী শিল্পী আছিল। ১৯০৩ চনৰ এই দিনটোতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত শিল্পীগৰাকীৰ জন্ম হৈছিল। গীত-

মাত, সাহিত্য সাধনাৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা শিল্পীগৰাকীৰ সৃষ্টিসমূহে সমাজৰ সকলো স্তৰৰ লোকক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিছিল।

জন্মদিন উপলক্ষে আজি ৰূপকোঁৱৰৰ জন্মস্থান ডিব্ৰুগড়ৰ লাহোৱাল সমষ্টিৰ মদাৰখাট মৌজাৰ অন্তৰ্গত তামোলবাৰী চাহ বাগিছাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

জয়মতী নিৰ্মাণস্থলী গহপুৰৰ ভোলাগুৰিতো আজি ৰূপকোঁৱৰক স্মৰণ কৰি গুণমুগ্ধসকলে শ্ৰদ্ধা নিবেদন কৰে। তেজপুৰতো আজি সুন্দৰৰ পূজাৰীগৰাকীৰ স্মৃতিত গীত-মাত আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। তেজপুৰ সাহিত্য সভাৰ লগতে জ্যোতি ভাৰতীত বহু লোক সমবেত হৈ ৰূপকোঁৱৰৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। একাংশ নবীন-প্ৰবীণ শিল্পীয়ে ৰূপকোঁৱৰৰ গীত, কবিতা আৰু নাটকৰ সংলাপেৰে তেওঁৰ স্মৃতি শ্ৰদ্ধা জ্ঞাপন কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক মঞ্চৰ উদ্যোগত আজি অসমৰ জাতীয় জীৱনৰ পুৰোধা জ্যোতি প্ৰসাদ আগৰৱালাৰ ওপজা দিন পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিভাগীয় মুৰব্বী অধ্যাপক এম কামাল উদ্দিনম আহমেদে ৰূপকোঁৱৰৰ জীৱনৰ ওপৰত আলোকপাত কৰে। অধ্যাপক কনক চন্দ্ৰ চহৰীয়া, অধ্যাপিকা দিপামণি বৰুৱা দাস আৰু লীনা দিহিঙিয়াও অনুষ্ঠানত উপস্থিত থাকে।

উল্লেখযোগ্য যে ৰূপকোঁৱৰৰ জন্মস্থান তামোলবাৰী চাহ বাগিছাত শিল্পীগৰাকীৰ সোঁৱৰণত প্ৰকল্প নিৰ্মাণৰ কথা চৰকাৰে বিবেচনা কৰিছে আৰু এই বিষয়ে সোনকালে সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত এখন সংবাদমেলত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে আজি জন্মদিন উপলক্ষে জনতাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

ৰাজ্য চৰকাৰে অসমীয়া জাতিৰ পিতৃপুৰুষ চাওলুং চুকাফাৰ মৈদামৰ সমীপৰ ভূমি দখলমুক্ত কৰি সংৰক্ষণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰাইদেউত ৫০০ বিঘা ভূমি সামৰি চুকাফাৰ স্মৃতিচিহ্ন নিৰ্মাণৰ বৃহৎ প্ৰকল্পৰ কাম অতিশীঘ্ৰেই আৰম্ভ হ'ব বুলি টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে আজি সংবাদমাধ্যমক জানিবলৈ দিয়ে। এই প্ৰকল্পৰ জৰিয়তে ইতিহাস আৰু ঐতিহ্য সংৰক্ষণৰ লগতে অঞ্চলটোৰ পৰ্যটনৰো বিকাশ হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। চৰকাৰে টাই-আহোম উন্নয়ন পৰিষদক আবণ্টন দিয়া এক কোটি ৮০ লাখ টকা পুঁজিৰে চুকাফা মৈদামৰ চাৰিবেৰৰ নিৰ্মাণৰ কাম অতিশীঘ্ৰেই আৰম্ভ হ'ব বুলি শ্ৰীবৰগোহাঁইয়ে জানিবলৈ দিয়ে।

০০০০০

হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনত ৰূপায়ণ হৈ থকা কল্যাণকামী আঁচনিসমূহৰ পৰ্যালোচনা কৰে। সভাত জিলা আয়ুক্ত, হোজাই আৰু লামডিং সমষ্টিৰ দুয়োগৰাকী বিধায়ককে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। সভাত মন্ত্ৰীগৰাকীয়ে জিলাখনত বান প্ৰস্তুতিৰ বাবে আগধন প্ৰদান কৰাৰ কথা প্ৰকাশ কৰে। এই বৈঠকতে মিছন বসুন্ধৰাৰ অধীনত জিলাখনৰ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানসমূহক ভূমি প্ৰদানৰ বিষয়টো পৰ্যালোচনা কৰা হয়।

০০০০০

বজালী জিলাৰ পৰা ২০২৪-২৫ বৰ্ষত শিল্পী পেন্সন আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা ১১গৰাকী প্ৰবীণ শিল্পীক আজি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মানপত্ৰৰে সন্মানিত কৰে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন উপলক্ষে আজি আয়োজিত অনুষ্ঠানত এই প্ৰবীণ শিল্পীসকলক সন্মানিত কৰা হয়। শিল্পীসকলৰ ভিতৰত আছে কাৰিকৰী শিল্পী আঘোণা হালৈ, ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজক, নাট্যকাৰ চন্দ্ৰকান্ত মুছাহাৰী, নৃত্য পৰিচালক দিলীপ ৰয়, শিল্পী কুশল চন্দ্ৰ দাস, গোপেশ তালুকদাৰ, কুমুদ কলিতা, নৃপেন ৰয়, নৰেন ৰয়, অক্ষয় মেধি, অচ্যুৎ বৈশ্য আৰু দেবেশ্বৰ ডেকা। ইয়াৰে লোকগীতৰ শিল্পী দেবেশ্বৰ ডেকাক মৰণোত্তৰভাৱে সন্মানিত কৰা হয়।

০০০০০

সমাপ্ত